No. of Printed Pages—4

41N (ASK)

[19-HRPGKOW–M1S(N) 20M]

MA 1st Semester (New) Exam., 2019 (W)

ASSAMESE

[PGAS S1–02]

(অসমীয়া কবিতা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ *এটা* বা *দুটা* বাক্যত লিখক : 1×8=8

(i) আজান ফকীৰৰ প্ৰকৃত নাম কি ?

(ii) *History of Assam* নামৰ গ্ৰন্থখন কাৰ ৰচনা ?

(iii) 'সমাহিঅ' শব্দটোৰ অৰ্থ লিখক।

(iv) 'ৰামায়ণ গীতি'ৰ প্ৰথম সংগ্ৰাহক কোন ?

(v) জন লক কোন শতিকাৰ ইংৰাজ দাৰ্শনিক ?

(vi) ছনেটৰ সৰ্বমুঠ চৰণ সংখ্যা কিমান ?

(vii) কোনখন পুথিৰ বাবে যতীন্দ্ৰ নাথ দুৱৰাই সাহিত্য অকাডেমী বঁটা লাভ কৰে ?

(viii) অমূল্য বৰুৱাৰ কোন চনত জন্ম হৈছিল ?

(b) শুদ্ধ উত্তৰটো নির্ণয় কৰক : 1×4=4

(i) 'সাগৰ দেখিছা' কাব্যপুথি প্ৰকাশ হৈছিল

1. ১৯৩৫ চনত
2. ১৯৪৫ চনত
3. ১৯৪৬ চনত
4. ১৯৫০ চনত

(ii) নৱকান্ত বৰুৱাই সাহিত্য অকাদেমী বঁটা লাভ কৰা গ্ৰন্থখন হ'ল

1. 'গড়মাকুঁৱৰী'
2. 'কপিলী পৰীয়া সাধু'
3. 'ককাদেউতাৰ হাড়'
4. 'দলঙত তামীঘৰা'

(iii) তলৰ কোনখন কাব্যগ্ৰন্থ কবি নীলমণি ফুকন বিৰচিত ?

1. 'ৰাৱণ'
2. 'গোলাপী জামুৰ লগ্ন'
3. 'আপোন সুৰ'
4. 'সন্ধিয়াৰ সুৰ'

(iv) হীৰেন ভট্টাচাৰ্যই অসম উপত্যকা বঁটা লাভ কৰা চনটো হ'ল

1. ১৯৮১
2. ১৯৯২
3. ২০০০
4. ২০১২

(c) খালী ঠাঁই পূৰণ কৰক : 1×4=4

(i) চৰ্যাপদবোৰ ____ ।

(ii) পৰাণ নিগৰে ____ চান্দমুখ।

(iii) হেম বৰুৱাক অসমীয়া কাব্যৰীতিৰ ____ বোলা হয়।

(iv) জীৱনৰ ভাও লৈ লাগিছে বেজাৰ আজি
____ দেখি লাগিছে ভাগৰ।

(Continued)

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) লোকগীতৰ দুটি বৈশিষ্ট্য উল্লেখ কৰক।

(b) অমূল্য বৰুৱাক ক্ষণজন্মা কবি বুলি কোৱাৰ কাৰণ কি?

(c) গোৱালপৰীয়া লোকগীতত তামোল-পাণৰ স্থান নিৰ্ণয় কৰক।

(d) ছুফীবাদ সম্পৰ্কে চমুকৈ উল্লেখ কৰক।

(e) মহেশ্বৰ নেওগে উল্লেখ কৰা 'ৰৰগীত'ৰ দুটা বৈশিষ্ট্য লিখক।

(f) 'কথা-কবিতা' (Poem in prose) কোনগৰাকী সাহিত্যিকৰ সৃষ্টি? অসমীয়া কথা-কবিতাৰ জনক কোন?

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ তিনিটা সুঁতিৰ নাম উল্লেখ কৰি চমুকৈ লিখক।

(b) "কোন কাৰ জগতৰ, কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ
সসীমৰ ৰূপ-তৃষ্ণা অসীমত বুৰ যাব
খহি গ'লে জৰী মৰমৰ।"

তাৎপৰ্য ব্যাখ্যা কৰক।

(c) "কবিয়ে বুদ্ধৰ জ্ঞান, ঐতিহ্য আৰু ধ্যান-ধাৰণাক আধুনিক সভ্যতা আৰু সেই সভ্যতাই সৃষ্টি কৰা যুগ-মানসৰ দ্বিধা আৰু সংশয়ৰ আধাৰত বিচাৰ কৰি চাইছে।" 'বোধিদ্ৰুমৰ খৰি' কবিতাৰ আধাৰত বিশ্লেষণ কৰক।

(d) "প্ৰতীকবাদী শৈলীৰ প্ৰয়োগে নীলমণি ফুকনৰ কবিতাক নতুন আয়তন প্ৰদান কৰিছে।" পৰ্যালোচনা কৰক।

(e) "তোমাৰ কাব্য-বেদীত আমাৰ জীৱন অৰ্চ্চনা
সৰি পৰা মদাৰৰ ফুল (.... গুৰুতো নেলাগ, গোসাঁইতো নেলাগ, থাক তলে ভৰি সৰি)"
মুকলিকৈ লিখক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) মাধৱ কন্দলিৰ অনুবাদ-ৰীতি সম্পৰ্কে এটি পৰিচয়মূলক টোকা লিখক।

(b) চৰ্যাপদৰ মাজেৰে সমাজ-জীৱনৰ ছবি কেনেদৰে প্ৰতিভাত হৈছে, আলোচনা কৰক।

(c) যুগ-সন্ধিৰ চিন্তা-ভাৱনা দেৱকান্ত বৰুৱাৰ কবিতাত কেনেদৰে প্ৰকাশ পাইছে, বৰ্ণনা কৰক।

(d) কৃষিজীৱী সভ্যতাৰ কোনবোৰ দিশ 'লখিমী' কবিতাত প্ৰকাশ পাইছে, মুকলিকৈ বুজাই লিখক।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) জিকিৰৰ বিষয়বস্তু আৰু তাত্ত্বিক দিশৰ এটি পৰ্যালোচনা কৰক।

(b) 'আলো মঞি কি কহবো দুখ'—গীতটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

(c) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণ-বৰাগী'ত ৰোমাণ্টিক কল্পলোক কিদৰে উদ্ভাসিত হৈছে, বিশ্লেষণ কৰক।

(d) দুৱৰাৰ কবিতাত আশাবাদ আৰু নিৰাশাবাদ—এই শিতানত আলোচনা আগবঢ়াওক।

★★★